**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতেই এন ডি এ চৰকাৰ গঠনক লৈ তৎপৰতা। নৰেন্দ্ৰ মোদীক এন ডি এৰ মিত্ৰজোঁটৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে বাছনি।

২। লোকসভা নিৰ্বাচনত একেৰাহে তৃতীয়বাৰৰ বাবে জয়লাভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তেওঁৰ দললৈ বিশ্বৰ বিভিন্ন দেশৰ নেতাৰ অভিনন্দন।

৩। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি ৰাজ্য চৰকাৰৰ গুৰুত্বপূৰ্ণ কেবিনেট বৈঠক।

৪। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱানিশা অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ এখন খেলত আয়াৰলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ৮ উইকেটত জয়লাভ।

*আৰু*

৫। ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত আজি ৰোহন বোপন্না-মেথিউ এবডেনৰ যুটী এবডেন ছিমন বলেলি আৰু এড্ৰিয়া ভাভছৰিৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতেই এন ডি এ চৰকাৰ গঠনক লৈ তৎপৰতা বৃদ্ধি পাইছে। এন ডি এ মিত্ৰজোঁটে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কালি মিত্ৰজোঁটৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে বাছনি কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নতুন দিল্লীৰ বাসগৃহত কালি অনুষ্ঠিত এন ডি এৰ নেতাসকলৰ বৈঠকত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত এন ডি এ চৰকাৰৰ অধীনত বিগত ১০ বছৰত সকলো ক্ষেত্ৰত সামগ্ৰিক বিকাশ হোৱা বুলি উল্লেখ কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰস্তাৱটোত লগতে দেশৰ জনসাধাৰণে ছটা দশকৰ পাছত একেৰাহে তৃতীয়াবাৰৰ বাবে এগৰাকী শক্তিশালী নেতা নিৰ্বাচিত কৰিছে। বৈঠকত তেলেগু দেশম পাৰ্টীৰ মুৰববী এন চন্দ্ৰবাবু নাইডু, জনতা দল ইউনাইটেডৰ মুৰববী তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰা, ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়ো, লোক জনশক্তি দল ৰাম বিলাস গোটৰ মুৰববী চিৰাগ পাছোৱান, অপনা দলৰ নেত্ৰী অনুপ্ৰিয়া পেটেল, আৰ এল ডিৰ মুৰববী জয়ন্ত চৌধৰী, জে ডি এছৰ এইচ ডি কুমাৰস্বামী, হিন্দুস্থানী আৱামী মৰ্চাৰ নেতা জীতন ৰাম মাঝি, জনসেৱা পাৰ্টীৰ নেতা পৱন কল্যাণ আৰু অন্যান্য মিত্ৰদলৰ নেতাসকলৰ লগতে বিজেপিৰ শীৰ্ষ নেতাসকলে অংশ লয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ নেতা হিচাপে পুনৰ নিৰ্বাচিত হোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয়টো কাৰ্যকালত দেশ প্ৰগতিৰ দিশত অগ্ৰসৰ হৈ এটা নতুন যুগৰ সূচনা কৰিব বুলি আশা

প্ৰকাশ কৰে। অগপৰ সভাপতি তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী অতুল বৰাই প্ৰধানমন্ত্ৰী মোদীক এন ডি এৰ নেতা হিচাপে পুনৰ নিৰ্বাচিত হোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী বৰাই তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈ শ্ৰী মোদীয়ে অসমৰ বিকাশ যাত্ৰাত ন-ৰূপ দিব বুলি আশা প্ৰকাশ কৰে।

ইফালে, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ নতুন দিল্লীৰ বাসগৃহত কালি আই এন ডি আই মিত্ৰজোঁটৰ নেতাসকল এখন বৈঠকত মিলিত হয়। এই বৈঠকত কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি গৰাকীয়ে মিত্ৰদলসমূহক ধন্যবাদ জ্ঞাপন কৰে। তেঁও লগতে এইবাৰৰ নিৰ্বাচনী ফলাফল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ বাবে বৃহৎ ৰাজনৈতিক ক্ষতি বুলি অভিহিত কৰাৰ লগতে এয়া স্পষ্ট নৈতিক পৰাজয় বুলি মন্তব্য কৰে। মিত্ৰজোঁটৰ সদস্যসকলে নতুন চৰকাৰ গঠনৰ কৌশলসমূহ সন্দৰ্ভত আলোচনাত মিলিত হয়।

ইফালে, ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সপ্তদশ লোকসভা ভংগ কৰাৰ কথা ঘোষণা কৰে।

০০০০০০

লোকসভা নিৰ্বাচনত একেৰাহে তৃতীয়বাৰৰ বাবে জয়লাভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তেওঁৰ দলক বিশ্বৰ বিভিন্ন দেশৰ নেতাসকলে অভিনন্দন জনাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনে প্ৰধানমন্ত্ৰী মোদী, এন ডি এ মিত্ৰজোঁট আৰু প্ৰায় ৬৫ কোটি ভোটদাতাক এই ঐতিহাসিক জয়ৰ বাবে ওলগ জনাইছে। শ্ৰীবাইডেনে সামাজিক মাধ্যম যোগে কয় যে, উমৈহতীয়া ভৱিষ্যতৰ অসীমিত সম্ভাৱনাৰ সৎ ব্যৱহাৰৰ বাবেই দুয়োখন দেশৰ মাজৰ বন্ধুত্ব ক্ৰমাৎ বৃদ্ধি পাইছে।

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি ছুনাকে কালি প্ৰধানমন্ত্ৰী মোদীক অভিনন্দন জ্ঞাপন কৰে। শ্ৰীছুনাকে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে ভাৰত আৰু ব্ৰিটেইনৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে আৰু এই সম্পৰ্ক আগলৈও অব্যাহত থাকিব।

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনেও শ্ৰীমোদীক অভিনন্দন জনাইছে। শ্ৰীপুটিনে কয় যে নিৰ্বাচনী ফলাফলে পুনৰ শ্ৰীমোদীৰ ব্যক্তিগত উচ্চ ৰাজনৈতিক কৰ্তৃত্ব, ভাৰতৰ আৰ্থ-সামাজিক বিকাশ ত্বৰানিত কৰাৰ প্ৰতি সমৰ্থন আৰু বিশ্ব পৰ্যায়ত নিজৰ স্বাৰ্থ ৰক্ষাৰ কথাকে প্ৰতিফলিত কৰিছে। তেওঁ কয় যে ৰাছিয়াই ভাৰতৰ সৈতে কৌশলগত সহযোগিতা সুদৃঢ় কৰাত বিশেষ গুৰুত্ব আৰোপ কৰে।

ইফালে, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ, ইউ এ ইৰ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েদ অল নাহ্য়ানে ভাৰতক প্ৰগতি আৰু বিকাশৰ পথলৈ লৈ যোৱাৰ ক্ষেত্ৰত শ্ৰীমোদীৰ সফলতা কামনা কৰিছে।

কোৰিয়া গণৰাজ্যৰ ৰাষ্ট্ৰপতি য়ুন ছুক য়েঅ'লে সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে কৈছে যে লোকসভা নিৰ্বাচনৰ ফলাফলে শ্ৰীমোদীৰ অভূতপূৰ্ব নেতৃত্বৰ প্ৰতি ভাৰতৰ আস্থাৰ কথাকে প্ৰতিফলিত কৰিছে। একেদৰে ইউৰোপীয় পৰিষদৰ অধ্যক্ষ চাৰ্লছ মিছেলে ইউৰোপীয় সংঘই ভাৰতৰ সৈতে কৌশলগত সহযোগিতা অধিক সুদৃঢ় কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰিছে।

ইয়াৰ পূৰ্বে ইটালী, মৰিছাছ, ভূটান, নেপাল, মালদ্বীপ, শ্ৰীলংকা, কমৰচ, লিথুৱেনিয়া, কেনিয়া, চেক গণৰাজ্য, চাৰ্বিয়া, নাইজেৰিয়া, স্পেইন, ইৰাণ, ইউক্ৰেইন আৰু মালয়েচিয়াকে ধৰি বিশ্বৰ কেইবাখনো দেশৰ নেতৃবৰ্গই প্ৰধানমন্ত্ৰীক ওলগ জনায়। ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো নেতাকে ধন্যবাদ জ্ঞাপন কৰি তেওঁলোকৰ সৈতে সহযোগিতা বৃদ্ধিৰ বাবে একেলগে কাম কৰিবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধক্ষ্যতাত আজি ৰাজ্য চৰকাৰৰ এখন গুৰুত্বপূৰ্ণ কেবিনেট বৈঠক অনুষ্ঠিত হ'ব। দিছপুৰৰ মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ লোকসেৱা ভৱনত দিনৰ ১১ বজাত এই বৈঠকখন অনুষ্ঠিত হ'ব। বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰাৰ সম্ভাৱনা আছে। এই বৈঠকৰ পিছতে এখন সংবাদমেল অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সূত্ৰই জানিবলৈ দিছে।

০০০০০০

অসম আৰক্ষীয়ে সমগ্ৰ ৰাজ্যতে ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ইয়াৰ অংশ হিচাপে কালি কাৰ্বি আংলং জিলা আৰক্ষীয়ে জিলাখনৰ ডিলাইত অভিযান চলাই এখন বাহনত লৈ অহা অৱস্থাত ৪০ হাজাৰ টা য়াবা টেবলেট জব্দ কৰে। আৰক্ষীয়ে ইয়াৰ সৰবৰাহৰ লগত জড়িত দুজন লোকক কৰায়ত্ত কৰি অধিক তথ্যৰ বাবে তেওঁলোকক জেৰা অব্যাহত ৰাখিছে। আৰক্ষীয়ে জব্দ কৰা টেবলেটখিনিৰ মূল্য প্ৰায় ৮ কোটি টকা হ'ব বুলি জানিবলৈ দিছে।

০০০০০০

অসমৰ ৫ গৰাকী বিধায়ক অষ্টাদশ লোকসভালৈ নিৰ্বাচিত হোৱাৰ ফলত ৫টা বিধানসভা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাটো নিশ্চিত হৈছে। বঙাইগাঁৱৰ বিধায়ক ফণীভূষণ চৌধুৰী, বিহালীৰ বিধায়ক ৰঞ্জিত দত্ত, চামগুৰিৰ বিধায়ক ৰকিবুল হুছেইন, ধলাই সমষ্টিৰ বিধায়ক পৰিমল শুক্লবৈদ্য আৰু চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী লোকসভালৈ নিৰ্বাচিত হোৱাৰ ফলত এই সমষ্টিকেইটাত উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পথ প্ৰশস্ত হৈছে।

০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে লোকসভা নিৰ্বাচনত অসমৰ ৯ খন আসন দখল কৰাৰ বাবে বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই অসমবাসীক ধন্যবাদ জ্ঞাপন কৰে। বাজপেয়ী ভৱনত কালি অনুষ্ঠিত এখন সংবাদমেলত বিজেপিৰ ৰাজ্যিক সভাপতি শ্ৰীকলিতাই লগতে মিত্ৰজোঁটৰ আন ৰাজনৈতিক দলকো ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে, ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে শতাধিক আসনৰ লাভৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। সদ্য সমাপ্ত লোকসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এন ডি এই ৰাজ্যৰ ৯৪টা বিধানসভা সমষ্টিত ভোট লাভৰ দিশত শীৰ্ষস্থানত আছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে, ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচন সন্দৰ্ভত কেন্দ্ৰত চৰকাৰ গঠনৰ পাছতে আলোচনা কৰা হ'ব।

ইপিনে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই নিৰ্বাচনী ফলাফলৰ পাছতে ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। আশা কৰা অনুযায়ী আসন লাভ নকৰিলেও এই নিৰ্বাচনত কংগ্ৰেছৰ নৈতিক জয় হোৱা বুলি শ্ৰীবৰাই প্ৰকাশ কৰে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিক প্ৰতিহত কৰিবৰ বাবে আঞ্চলিক দলসমূহক বিৰোধী ঐক্য মঞ্চত যোগ দিবলৈ তেওঁ লগতে আহ্বান জনায়।

যোৰহাট লোকসভা সমষ্টিৰ নৱ নিৰ্বাচিত সাংসদ গৌৰৱ গগৈয়ে কালি মাজুলীবাসী আৰু দলীয় নেতা-কৰ্মীক ধন্যবাদ জনায়। মাজুলীৰ ৰাজীৱ ভৱনত জিলা কংগ্ৰেছ আৰু যুৱ কংগ্ৰেছৰ বিষয়ববীয়াৰ পৰা সম্বৰ্ধনা গ্ৰহণ কৰি মাজুলীৰ পৰাই ২০২৬ত দিছপুৰ দখলৰ প্ৰণ গ্ৰহণ কৰা বুলি শ্ৰীগগৈয়ে প্ৰকাশ কৰে। তেওঁ লগতে মাজুলীৰ বিজেপি বিধায়ক ভূৱন গামক সমালোচনা কৰে।

০০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ কালিৰে পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে বন্ধ কৰা হয়। অৱেশ্য অহা ২০ জুনলৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰীৰ পৰা মথনগুৰিলৈ যোৱা পথছোৱা আৰু মথনগুৰিৰ হেৰিটেজ চেণ্টাৰৰ লগতে নৈসৰ্গিক দৃশ্য উপভোগ কৰিব পাৰিব। প্ৰতিকূল বতৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখন প্ৰতিবছৰে ৩ মাহৰ বাবে বন্ধ ৰখা হয়।

০০০০০০

নিউয়ৰ্কৰ নাচাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত ভাৰতে আয়াৰলেণ্ডক ৮ উইকেটত পৰাস্ত কৰে।

খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আয়াৰলেণ্ডে ১৬ অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯৬ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ হাৰ্দিক পাণ্ডিয়াই ৩টা উইকেট দখল কৰাৰ বিপৰীতে যশপ্ৰীত বুমৰাহ আৰু অৰ্শদীপ সিঙে দুটাকৈ উইকেট লাভ কৰে।

প্ৰত্যুত্তৰত ভাৰতে ১২ অ'ভাৰ আৰু দুটা বলত অধিনায়ক ৰোহিত শৰ্মাৰ ৫২ আৰু ঋষভ পণ্টৰ ৩৬ ৰানৰ সহায়ত দুটা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে।

প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ পৰৱৰ্তী খেল দুখনত ভাৰত অহা ৯ আৰু ১২ জুনত ক্ৰমে পাকিস্তান আৰু সহ আয়োজক আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটো ফ্লৰিডাত ১৫ জুনত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত কানাডাৰ মুখামুখি হ'ব।

০০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো আজি ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ছেমি ফাইনেলত একাদশ বাছনিপ্ৰাপ্ত ইটালীৰ ছিমন বলেলি আৰু এণ্ড্ৰিয়া ভাভাছৰিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

বোপন্না আৰু এবডেনৰ যুটীটোৱে কালি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত দশম বাছনি প্ৰাপ্ত বেলজিয়ামৰ ছেণ্ডাৰ গিলে আৰু জৰেন ভ্লিয়েগেনৰ যুটীটোক ৭-৬, ৫-৭, ৬-১ ছেটত পৰাস্ত কৰে।

০০০০০০

ইণ্ডোনেছিয়া অ'পেন ছুপাৰ ৱান থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডত আজি ভাৰতৰ ছিৰাগ ছেট্টী আৰু সাত্বিকছাইৰাজ ৰণকীৰেড্ডীৰ যুটীটো মালয়েছিয়াৰ ৰেই ছং মেন আৰু কাই উন টিৰ সন্মুখীন হ'ব। পুৰুষৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত আজি লক্ষ্য সেন জাপানৰ কেণ্টা নিশিমতো আৰু প্ৰিয়াংশু ৰাজাৱাট থাইলেণ্ডৰ কুনলাভুট ভিটিডচাৰ্নৰ মুখামুখি হ'ব।

পি ভি সিন্ধু কালি প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত চীনা টাইপেইৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাস্ত হৈছে।

অৱশ্যে ভাৰতৰ অশ্বিনী পোনাপ্পা আৰু টানিছা ক্ৰাষ্টোৰ যুটীটো মহিলাৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। ভাৰতীয় যুটীটোৱে প্ৰথম ৰাউণ্ডত কানাডাৰ জেকি ডেণ্ট আৰু ক্ৰিষ্টেল লাইক ২১-১৫, ২১-১৫ গেমত পৰাস্ত কৰে।

ইপিনে, মহিলাৰ ডাবলছত তৃশা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটোৰ লগতে পুৰুষৰ ছিংগলছত প্ৰিয়াংশু ৰাজাৱট আৰু লক্ষ্য সেন পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। একেদৰে মিক্সড ডাবলছত বি সুমিত ৰেডডী আৰু এন চিক্কী ৰেড্ডীৰ যুটীটো দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

মহিলাৰ ডাবলছত গায়ত্ৰী গোপীচান্দ আৰু তৃশা জলীৰ যুটীটো জাপানৰ ৰাকানা নাগাহাৰা আৰু মায়ু মাটছুমটোৰ বিৰুদ্ধে আৰু অশ্বিনী পোনাপ্পা আৰু তানিশা ক্ৰাষ্টোৰ যুটীটো কোৰিয়াৰ লি চো হি আৰু বেক হা নাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দুয়োখন খেলেই আজি অনুষ্ঠিত হ'ব।

ইপিনে, মিক্সড ডাবলছৰ দ্বিতীয় ৰাউণ্ডত আজি সুমিত ৰেড্ডী আৰু এন চিক্কি ৰেড্ডী চীনৰ ঝেং চি ৱেই আৰু হুৱাংয়া কুয়ঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

ৰাজ্যৰ দুই লাখ ৪০ হাজাৰ ভোটাৰে শেহতীয়া লোকসভা নিৰ্বাচনত ১৪ টা সমষ্টিত এজনো প্ৰাৰ্থীক পছন্দ নকৰি নোটাৰ বুটাম টিপাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰি কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদত্যাগ পত্ৰ অৰ্পণৰ পাছতেই ৰাষ্ট্ৰপতিয়ে সপ্তদশ লোকসভা ভংগ কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। লোকসভা নিৰ্বাচনৰ দিনা ভাৰতীয় শ্বেয়াৰ বজাৰত হোৱা পতনৰ অন্ত পৰি কালি ছেনছেক্স ২,৩০৩ পইন্ট আৰু নিফটি ৭৩৫ পইন্ট উৰ্ধ্বগামী হোৱাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ব্ৰিটিছ দূতাবাসৰ সহযোগত লণ্ডনত অনুষ্ঠিত হ'বলগীয়া জয়পুৰ সাহিত্য উৎসৱ, লণ্ডনত ২০২৪ত অংশগ্ৰহণৰ বাবে অসমৰ বিশিষ্ট সাহিত্যিক, সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীয়ে আমন্ত্ৰণ লাভৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। সুৰা নীতি কেলেংকাৰীত কাৰাৰুদ্ধ দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ অন্তৰ্ৱৰ্তীকালীন জামিন আৱেদন ৰোজ এভিনিউ আদালতে খাৰিজ কৰি ন্যায়িক জিম্মাৰ ম্যাদ বৃদ্ধিৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। লোকসভা নিৰ্বাচনত অংশ লৈ সাংসদ হিচাপে নিৰ্বাচিত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত বন্দী খালিস্তানপন্থী বিদ্ৰোহী নেতা অমৃতপাল সিঙক তেওঁৰ পত্নীয়ে অধিবক্তাসহ সাক্ষাৎ কৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। এইবাৰ লোকসভা নিৰ্বাচনত মাত্ৰ ২৫ বছৰ বয়সতেই দেশৰ ৪ গৰাকী প্ৰাৰ্থীয়ে সাংসদ হিচাপে নিৰ্বাচিত হোৱাৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বৰপেটা লোকসভা সমষ্টিৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত অসম গণ পৰিষদৰ ফণীভূষণ চৌধুৰীক আমবাৰীস্থিত দলৰ মুখ্য কাৰ্যালয়ত সম্বৰ্ধনা জ্ঞাপন কৰাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। লোকসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতেই ৰাজ্যত প্ৰতি লিটাৰ পেট্ৰলত ১.০২ টকা আৰু ডিজেলত ১.০১ টকাকৈ বৃদ্ধি হোৱাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত